# ডাঙৰ নবৌ

আজি দেওবাৰৰ দিনা ৰন্ধা-বঢ়া অলপ মনোযোগেৰে কৰা হৈছে। ডাঙৰ নবৌৰ হাতৰ সৰিয়হ দিয়া ইলিছ মাছৰ জোল, ভাপত দিয়াৰ গোন্ধে পাকঘৰ মনমনাই আছে। যুজন চালানী ইলিছ মাছটো ডাক্তৰে আনিছিল। উকীলে আনিছিল এচকল পকা বৰালি। বৰালি মাছ, বিলাহীৰ টেঙাৰ ৰংটো ডাঙৰ বগা চীনামাটিৰ পাত্ৰটোত জিলিকি পৰিছে। এমাহ আগতে ডাক্তৰেই এই ডিনাৰ চেটটো কিনি আনিছিল। ডাঙৰ নবৌৱে কেৰাহীৰ পৰা তৰকাৰি এই ৰবক বগা পাত্ৰকিটাত বাকি এবাৰ চায়— নিজেই ৰান্ধিছিল নেকি এই সুন্দৰ ৰঙৰ জোলখন? দুখন ডাইনিং টেবুল লগ লগাই এখন ডাঙৰ টেবুল কৰা হৈছে। চকীবোৰৰ ডিজাইন প্ৰায় একেই কাৰণে এখন টেবুল যেনেই লগা হৈছে। টেবুলখনৰ একেবাৰে মূৰত এখন অভজা, ডাঙৰ, তিতাচপা কাঠৰ পুৰণা চকী। ডাইনিং টেবুল দুখন উকীলনী আৰু ডাক্তৰণীয়ে লগতে অনা, এই বং এবোৰা, চাকচিক্য নোহোৱা চকীখন ডাঙৰ নবৌৱে লগত অনা। নবৌক এনেকুৱা তিনিখন চকী দিছিল, এখন বাৰাণ্ডাত আৰু ইখন নবৌৰ কমত আছে। অভজা চকীখন খালী হৈ পৰি আছে, আগত এখন কাঁহৰ থালত ভাত। ভাতখিনিত দুই-এটা মাখি পৰিছে। ডাঙৰ নবৌৱে এবাৰ থালখনলৈ, এবাৰ বাহিৰলৈ চাই আছে। নবৌৰ শুকান মুখখন আৰু শুকান লাগিছে। ডাক্তৰৰ পুতেকক এটুকুৰা ডাঙৰ কাঁইট থকা মাছ লাগে, উকীলনীক এমুঠি ভাত, ডাক্তৰক নেমু এটুকুৰা, উকীলক মাছৰ টেঙা। ডাঙৰ নবৌৱে একো শুনা নাই। শাহুৱেকে নবৌক টানকৈ কিবা এটা ক'ব খুজি মাখি পৰি থকা ভাতৰ থালখনলৈ চাই গজগজাই বাহিৰলৈ ওলাই গ'লগৈ। যাওতে তেওঁ প্ৰচণ্ড বিৰক্তিৰে ভোৰভোৰাই গ'ল— 'ইয়াৰ এইবোৰ স্বভাৱ নগ'ল আৰু! মাতি মাতি কোনে সদায় ভাত খুৱাব?' ওপৰতলাৰ সম্পূৰ্ণ কৰিবলৈ বাকী থকা অংশৰ

ওলাই থকা লোহাৰ বডকিডালত পৰি থকা কাউৰীবোৰলৈ চাই ডাক্তৰ নবৌয়ে চাদৰখন কঁকালত পেচ মাৰি পিলগুটি এটা মাৰি পঠিয়ালে। উকীলনী আৰু ডাক্তৰনীয়ে মুখ চোৱা-চুই কৰি এটা চেপা হাঁহি মাৰিলে। ডাক্তৰ নবৌৰ চকুত হাঁহিটো ঠিকেই পৰিল।

অলপ পিছতে টাপলি মৰা লুচি পিঠা, মুগত কেইবানিনাতো নুবুৰুন্ধা ভাড়ি লৈ তলমূৰকৈ মধ্য-বয়সৰ মানুহ এজন আহি অভজা চকীখনত বহিলহি। নবৌয়ে দুটামান মাৰি পৰি থকা ভাতখিনি সলাই দিব খোজোতে শাহুৱেকে চেপা মাতেৰে কৈ উঠিল— 'নাই হোৱা চৈঁচা। সময়মতে ভাতমুঠি খাবলৈ আহিব নোৱাৰে, অতবোৰ কামৰ মানুহ...'। দাইলেৰে ভাত খাই শেষ কৰি মানুহজনে নবৌৰ ফালে চাই আছে। শাহুৱেকৰ কথাখিনি শেষ হ'বলৈকে নাপালে নবৌয়ে মানুহজনক এহেতা গৰম ভাত দি তীব্ৰ মাতেৰে ধমকি মাৰি উঠিল— 'অতবোৰ কামৰ মানুহ সময়মতে পাকঘৰলৈ আহিব পাৰে, কাম নোহোৱাজননো কিয় আহিব নোৱাৰে?' ডাক্তৰ নবৌৰ তীব্ৰ মাতত গোটেইবোৰ চক খাই উঠিল। শাহুৱেকেও সমান তীব্ৰতাৰে চিঞৰি উঠিল— 'এই ডাইনীজনীয়ে মোৰ অজলা বৰল'ৰাটোৰ মূৰটো খালে। চাকৰিটো গ'ল বুলি তাই পিন্ধিবলৈ পোৱা নাইনে, ল'ৰা-ছোৱালীয়ে খাবলৈ পোৱা নাই? একেটা কথাকে পেখেনিয়াই থাকে!' শুকান ভাত খাই থকা মানুহজনক নবৌয়ে মাছৰ জোল দিব খুজিছিল। ডাক্তৰে গহীন মাতেৰে কৈ উঠিল— 'মা! এইবোৰ বাদ দিয়া, মোক অলপ কিবা দিয়া, মই যাব লাগে।' তৎক্ষণাৎ মাছৰ জোলৰ পাত্ৰটো বোৱাৰীয়েকৰ হাতৰ পৰা লৈ মাকে ডাক্তৰ পুতেকৰ পাতত দুটুকুৰা মাছ দিলে, ওচৰতে বহা উকীলকো দিলে, দুই বোৱাৰীয়েককো দি তেওঁ ডাক্তৰৰ গহীন মুখখন চাইছে— 'মাছটো বঢ়িয়া আছিল, দামো চাগৈ ভাল হৈছে।' ডাক্তৰে মূৰ তুলিছে 'দামৰ কথানো কেলেই লাগিছে? ভালকৈ খাবা।' ডাক্তৰে নবৌলৈ চাইছে— 'বৌ! মালৈ মাছ আছে নে নাই? আমাক দি দি শেষ কৰিবা এতিয়া।' নবৌয়ে তলমূৰকৈ মাত দিছে— 'মাৰ কাৰণে আগতেই মই ভাত বাঢ়ি থওঁ।' নবৌয়ে আটাইবোৰৰ ফালে চাইছে, কোনোবাই ক'ব নেকি বাৰু 'বৌ! তোমাৰ কাৰণে আছে নে নাই?' নবৌৰ গাঁতত সোমোৱা চকুহাল যেন এটা কোণত তিতি আছে। ডাক্তৰে বুঢ়িহঁসকলৰ ইলিছ মাছ প্ৰীতিৰ কথা কৈছে— 'চাহাবসকলে ইলিছ মাছৰ সোৱাদ বৰ ভাল পাইছিল, পিছে কি হ'ব কাঁইটৰ বাবে খাব নোৱাৰে। বজাঘৰীয়া ৰান্ধনিয়ে সকড় হিলছা ডিছখন চাহাবৰ বাবেই তৈয়াৰ কৰিছিল। এনেকৈ ৰন্ধা মাছৰ কাঁইটো পাপৰৰ দৰে মচমচীয়া হৈ পৰে।' অলপ আগতে থমথমীয়া হৈ পৰা পৰিৱেশটো ডাক্তৰৰ গল্পই সতেজ কৰি তুলিলে। চবেই ডাক্তৰলৈ চাই আছে। ডাক্তৰৰ চেহেৰাটো অলপ দিনৰে পৰা বেচ ৰাৰু হৈ পৰিছে। প্ৰেকটিচো ভাল হৈছে। নাৰ্চিংহোম খোলাৰ ব্যৱস্থাও প্ৰায় হৈছেগৈ,

ডাঙৰ নাতিনীক কাণে নাৰ্চিংহোমৰ লগতে ঘৰৰ প্লেনো কৰি থোৱা আছে। কামখিনি হ'লেই পৰিয়াল লৈ যাবগৈ। উকীলনো মাটি লোৱা হৈছেইগে, সকলোকে পইচা-পাতি গোটাব পাৰিলেই ঘৰৰ কাম আৰম্ভ কৰিব। মাকে আশা কৰি আছে গিৰীয়েক আৰু বৰপুতেকে শেষ কৰিব নোৱাৰা ঘৰ-দুৱাৰ সৰু আৰু মাজু পুতেকে শেষ কৰিব। ডাঙৰৰ সৰু কালৰ গল্প কৈ থকা শাহুৱেকৰ ওচৰৰ পৰা মাছৰ জোলৰ বাটিটো প্ৰায় কাঢ়ি অনাদি আনি গিৰীয়েকৰ পাতত ডাঙৰ নবৌৱে দুটুকুৰা মাছ জোলেৰে সৈতে দি গ'লহি। মানুহজনে না না কৰি উঠিল— 'ইমানবোৰ মাছ মই খাব নোৱাৰো।' শাহুৱেকে ডাঙৰ নবৌলৈ কেৰাহিকৈ চাইছে— 'কেলেইনো জোৰ কৰিছ? বহি থই থকা মানুহ, হজম নহ'ব।'

দুৱাৰত আঁউজি ডাঙৰ নবৌৱে খোৱা টেবুলখন চাই আছে। লাহে লাহে ডাঙৰ নবৌৰ হাড়ে-ছালে প্ৰেতিনী যেন হোৱা চেহেৰাটো এটা ভৰপূৰ গাভৰুৰ দেহা হৈ আহিল। থমথমীয়া মুগাৰ মেখেলা পিন্ধা বোৱাৰীজনীয়ে সলজ্জভাৱে ঠিক এইটো পাকঘৰৰ এইখন দুৱাৰতে আঁউজি থাকিল। মজিয়াখন কেঁচা, পীৰা পাৰি চৰেই ভাত খাবলৈ বহিছে। জুহালৰ জুইকুৰা জ্বলি আছে। আগত ভাত লৈ আটাইবোৰ বহি আছে— 'যা! ককায়েৰক মাতি আনগৈ।' মাকৰ মাতত দুজনী কিশোৰী, দুটা কিশোৰ হেতা-ওপৰা লগাই দৌৰ মাৰিলে— 'দাদা! আহ। আমি বৈ আছো, দাদা! আহ।' দৌৰ মৰা ল'ৰা-ছোৱালীকিটালৈ চাই মাকে হাঁহিছে— 'ককায়েকটো সিহঁতৰ দেহলাও।' বোৱাৰীজনীয়ে নীৰৱে হাঁহিছে, তাইৰ বুকুখন ওখল-পাথল হৈছে। এইজন মানুহ! বুকুত এবাহ গুণগুণাই থকা বসেৰে ভৰা মৌ লৈ ফুৰা এইজন মানুহ কাৰ দেহলাও নহ'ব? তাইৰ গোটেই গাটোত মূৰৰ পৰা ভৰিৰ তলুৱালৈকে এবাহ মৌৱে গুণগুণাই উঠিল। মুখত হাঁহি এটা লৈ ওখ ডাঙৰ ডেকাজন সোমাই আহিছে। পাকঘৰত সোমাই ডেকাজনে জুইৰ কমলা ৰঙৰ পোহৰত ৰঙচুৱা হৈ থকা কোমল মুখখন এবাৰ চুৰকৈ চাই ল'লে। 'বোৱাৰী! তুমিও বহা,' শাহুৱেকে জোৰকৈ বোৱাৰীজনীকো ভাতৰ পাতত বহুৱাইছে। শাহুৱেকে একমনে ডেকাজনৰ সৰুকালৰ কথা কৈছে— ই সৰুৰে পৰা বৰ মৰমিয়াল আছিল, স্কুলৰ পৰা আহি যদি দেখে কোনোবা এটাই তাৰ ভাগৰ ভাতকিটা খায়ো থৈছে, সি মুখেৰে টু শব্দ এটা নকৰে।' কৈ কৈ মাকে বৰপুত্ৰৰ থালত দুটুকুৰা মাছ দিছে, মানুহজনে না না কৰি উঠিছে। বোৱাৰীয়েককো এটুকুৰা ডাঙৰ চাই মাছ দিছে। 'লাজত মূৰ দাঙিব নোৱাৰা হৈ' বোৱাৰীজনীয়ে মিহি মাতেৰে প্ৰতিবাদ কৰিছে, 'নালাগে, মই খালোৱেই দেখোন।' পুতেক-বোৱাৰীয়েকক এমুঠি এমুঠি ভাতো দিছে মাকে— 'খোৱা, ডেকা মানুহ, এতিয়া নাখালে কেতিয়া খাবা?'

'মা! মোক ভাত দিয়া।' পুতেকৰ মাতত ভৰপূৰ দেহাৰ বোৱাৰীজনী আকৌ ভূতুনী হৈ পৰিল। পুতেকক ভাত দি দাইল অলপ দিব খোজোতেই সি চিঞঁৰ মাৰি



Scanned with OKEN Scanner

উঠিল— 'মোক বৰ্ডা মাছৰ জোল দিয়াহি নাই, মই অৱনিয়ে পৰা দহিলেলে ভাত খাই আছো।' ল'ৰাটোৰ মুখলৈ অভজা চকীত বহা মানুহজনে এনেকৈ চুলি চাওঁতে যে উডিৰ হাড় এডালৰ কাটকৈ শব্দ এটা সুস্পষ্ট শুনা গ'ল। আইতাকে ল'ৰাটোক মাছ এটুকুৰাকে সৈতে বিনাহীন চেষ্টা দিছে। সি পুন ননাই আপত্তি কৰি উঠিল— 'মোক ইমান সৰু মাছ দিছে, নাখাওঁ মই ভাত।' আইতাকে ল'ৰাটোক ভালি মানি উঠিল— 'দি দিছো তাকে নাখাব কিয়?' উকীলনীয়ে সৰু মাতেৰে অলপ হাঁহি লৈ ডাক্তৰণীক কৈছে— 'বাইদেউ। আমাৰ ফ্ৰিজটো এনেই কিনা হ'ল, মই তেতিয়াই কৈছিলো, এইখন ঘৰত একো বস্তু থৈ খাব নোৱাৰি।' ডাক্তৰণীয়ে আৰু সৰু মাতেৰে কিবা এটা উত্তৰ দিছে। ডাক্তৰৰ তিনি টুকুৰা ডাঙৰ ইলিচ মাছ খাই মুখ এঙাই গৈছিল, এটুকুৰা এতবতে বহা পুতেকক দি ডাঙৰ মাতেৰে কৈ উঠিল— 'মায়ে মাছৰ দামৰ কথা শুনিছিলা নহয়, কিল' এশ ত্ৰিশ, গোটেইটোত দুশ ত্ৰিশ টকা ল'লে। খাই কিন্তু ভাল লাগিল।' ডাক্তৰে উগাৰ এটা মাৰিছে। উকীলে মাত লগালে— 'বৰালিবো টেষ্ট বঢ়িয়া লাগিল। কিল' এশ টকাকৈ ল'লে।' অভজা চকীৰ মানুহজনে দুৰ্বল মাতেৰে কৈ উঠিল— 'শ শ টকাৰ মাছ এনে সাজতেলো কিয় আনিব লাগে।' ডাক্তৰণীৰ মাতটো চুৰণীয়া, আবয় হয় সকলোকে, ডাঙৰ হৈ সকলোকে মাৰ যায়, 'তথাপিও নাচিছে দেখোন, আমাৰ ঘৰত...'। ডাক্তৰণীৰ দেউতাক চৰকাৰৰ উচ্চপদস্থ বিষয়া, এটা ল'ৰা, এজনী ছোৱালীৰ সুখী, মসৃণ পৰিয়াল। তেওঁ প্ৰতিযাৰ কথাতে মাক-দেউতাকৰ ভোগী, মিহি ঘৰখনৰ বিজনি আনে। মানুহজনে ডাঠিখিনি বাওঁহাতেৰে মোহাৰি মোহাৰি কিবা এযাৰ ক'ব খুজিছে, তেওঁ এগিলাচ পানী খাব খুজিছে, মানুহজন বেন অলপ ঘামিছে। হঠাৎ ডাঙৰ নবৌয়ে ৰুদ্ৰমূৰ্তি ধৰিলে, চাদৰখন কঁকালত পেচাই ল'লে, তাৰ পিছত পুতেকক উধাই-মুধাই কোবাবলৈ ধৰিলে— 'ডাঙৰ মাছহে লাগে, পঢ়া-শুনাৰ নাম নাই, ডাঙৰ মাছ খোৱা ওলাইছে!' ল'ৰাটোৱে হাওঁ-হাওঁকৈ কান্দি উঠিল। আইতাকে দৌৰি অহাদি আহি ল'ৰাটোৰ পাতত এটুকুৰা ডাঙৰ মাছ দিলেহি। তেওঁ ডাঙৰ ডাঙৰ মাতেৰে নবৌক গালি পাৰিছে— 'এই কুলক্ষণীজনীক ভগৱানে কেলেই ল'ৰা-ছোৱালী দিছিল?' পাতত পৰি থকা ডাঙৰ মাছ টুকুৰা এবাৰো নাচাই সি উচুপি উচুপি ওলাই গ'লগৈ। প্ৰায়বোৰৰ ভাত খোৱা হৈছিলেই, মুখ গোমা কৰি আটাইবোৰ পাকঘৰৰ পৰা ওলাই গ'লগৈ। ভুতুনীজনীয়ে এটাও শব্দ উচ্চাৰণ নকৰাকৈ টেবুলৰ বাচনবোৰ সামৰিবলৈ লাগিল। টেবুলখন চাফা কৰি তাই আগতেই সজাই থোৱা ভাতৰ থাল আৰু তৰকাৰিৰ বাটিকিটা পানী এগিলাচৰ সৈতে থৈ বাচনখিনি লৈ কুৱলৈ পাৰলৈ গ'ল। বাচনখিনি মাজি থাকোতে তাইৰ পেটটো কৰমলাই উঠিল। পুৱাৰ ৰুটি ভাগলৈ নাপাকিল, খোৱা বাতি হঠাৎ দুজন ভাতখোৱা আলহী আহিল, বাতি ন বজাত ক'ত আৰু নতুনকৈ ভাত বান্ধে। চক চুচি খোৱা ভাতমুঠি কিজানি

পলকতে হজম হৈ গৈছিল। তিতা-টেঙা বসি অলপ পেটটো পকাই ওলাই আহিল। নাকলৈ নে আহিল ৰবাবি মাছৰ টেঙাৰ গোন্ধটো, চকুত ভাঁহি উঠিল সৰিয়হ দিয়া হালিচ মাছৰ জোলখনৰ সোণবৰণীয়া ৰঙটো।

'কমী! কমী!' শাহুৱেকে তাইক শুনাই শুনাই লুকুলজনীক ভাত দিছে। কোনকিটা ভাত? তাইলৈ থুলি চকুৰ তলত পৰি থকা ভাতকিটাকে নাক? হঠাৎ মানুহজনীৰ বাচনখিনিতে বাগৰি পৰি হুকহুকাই কান্দিবৰ মন গ'ল। কোনোবা এটাই, ঘৰখনৰ সৰু-ডাঙৰ যি কোনো এটায়ো যদি আহি এই মুহূৰ্তত ক'লেহেঁতেন ভাতকিটা খোৱাহি আহা, তাই ছুইৰ হাতেৰেই দৌৰ মাৰিলেহেঁতেন।

'মোৰ জোতাযোৰ আনচোন।' ডাক্তৰে টাইৰ গাঁঠিটো মাৰি মাৰি কাকোবাক উদ্দেশ্য কৰি কৈছে। ডাঙৰ নবৌয়ে দেখিলে উকীলৰ পৰা খুজি চিগাৰেট এটা ধৰি বাৰাণ্ডাত বহি থকা মানুহজনে চিগাৰেটটো পেলাই থিয় দিছে। তেওঁ আহি ডাক্তৰৰ জোতাযোৰৰ ওচৰ পাইছেহি। নবৌয়ে তীক্ষ্ণ দৃষ্টিৰে চাই আছে। মানুহজনৰ মুখত হাঁহি এটা ফুটি উঠিছে— 'ডাক্তৰ মানুহে এনেকুৱা ফপলা জোতা পিন্ধিব লাগেনে? সেচোন ব্ৰাছপাট, ৰংটোও দিবি' ডাক্তৰণী কনৰ পৰা ওলাই আহিছে, ন'বাটোৰ হাতত ৰং-ব্ৰাছ দি ডাক্তৰণীয়ে ঘুৰণীয়া মাতেৰে কৈ উঠিল— 'দাদাই ঠিকেই কৈছে। এওঁৰ কাপোৰ-কানিৰ প্ৰতি একেবাৰে চকু নাই। মই ক'লে ক'ব এইবোৰেৰেই চলিব, নতুনকৈ খৰচ বঢ়াই লাভ কি? আমাৰ দেউতাই...'। খুনি খুনি ডাক্তৰণীৰ মাতটো খৰচ শব্দটোত বেছি ডাঙৰ হৈছে। মানুহজনে ফটাকানি এখনেৰে জোতাযোৰ মচি মচি নবৌৰ ওচৰ পাইছিলহি— 'ভাত খালা নে নাই?' চাদৰখন কঁকালত বান্ধি নবৌয়ে মেৰ্ট তুলি উঠিল— 'ভাত খোৱাৰ কথা সুধিবলৈ আহে। কিমান মাছ-মঙহ কিনি আনিছে?' মানুহজন বিব্ৰত হৈ পৰিছে, তেওঁ সান্ত্বনাৰ সুৰত নবৌক কৈছে— 'বিপদত পৰিছো, ভাইকিটাই আবৰি আছে, তুমিহে অশান্তি কৰি থাকা, ঘটং-ঘটংকৈ কল মাৰি নবৌয়ে প্ৰায় চিঞৰি উঠিল— 'জনা আছে, চব জনা আছে, কোনে কি কৰি আছে, চব জনা আছে।' তেওঁ কেবাহিকে বাবাণ্ডালৈ চাইছে, ডাক্তৰণী ৰং ব্ৰাছ লৈ আকৌ ভিতৰলৈ সোমাই গ'ল, ডাক্তৰেও অন্য এযোৰ জোতা পিন্ধি গ'লগৈ, বাহিৰত গাড়ীৰ শব্দ হৈছে। হাততে জোতাযোৰ লৈ মানুহজন বস্ত্ৰ পৰা মানুহৰ দৰে বৈ থাকিল। ৰ'দত দি থোৱা টাৱেল এখন নিবলৈ আহি বৈ থকা ককায়েকক দেখি উকীল ওচৰ চাপি আহিল, মাকো ওলাই আহিল। মাকে পুতেকৰ গাত হাত দিছে— 'তই দুখ কৰিছ কেলেই? সেইজনীক মেয়েই তোৰ ডিঙিত ওলোমাই দিলো।' উকীলেও ককায়েকক সান্ত্বনা দিছে— 'দাদা! ভিতৰলৈ আহ,' তেওঁ বাচন মাজি থকা বৌয়েকলৈ চাইছে— 'পৃথিৱীৰ নিয়মেই এইটো। দিব পাৰিলেই ভাল, নোৱাৰিলেই বেয়া।' মাক আৰু ভায়েকৰ কোমল মাত শুনি আদহীয়া মানুহজনে কান্দি পেলালে। কলৰ পাৰৰ

ওচৰতে বীহৰ সৰু চাঙখনত থোৱা বাচনবিনি থৈ থৈ ডাঙৰ নবৌয়ে চিঞৰি থাকিল— 'কান্দিবলৈ আছে! মাকৰ আঁচলত ধৰি কান্দিবলৈ আছে।'

ডাঙৰ মাছৰ টুকুৰা নাপাই ইমান পৰে বাৰাণ্ডাত মাৰ্বল খেলি থকা ল'ৰাটো আহি মাকৰ ওচৰত থিয় দিলেহি। তাৰ গালৰ চকুৰ পানীৰ দাগ শুকুওৱাই নাই। হঠাৎ তাৰ চকুত পৰিল উকীলৰ জীয়েকে আপেল এটা কামুৰি বাহিৰত ফুলবুলা গুনি গুনাই আহিছে, পাছে পাছে মাক। 'মোকো আপেল এটা দিবা খুড়ী? বঢ়া চাই এটা দিবা দেই।' ল'ৰাটো খুড়ীয়েকৰ কমৰ ফালে দৌৰ মাৰিব খোজোঁতেই মাকে তাক ধৰি পেলালে— 'তুমি খুড়ীক আপেল খুজিব নালাগে নিয়া দেউতাই আনি দিব।' ল'ৰাটো তভক মাৰি অলপ বৈছে, 'ক'তা? দেউতাই দেখোন আজিকালি বজাৰেই নকৰে, দেউতাৰ চাকৰি নাই নহয়, সেই কাৰণে একো নানে।' উকীলনী আহি ল'ৰাটোক কেএৰা আঙুলিটোমান আপেল এটুকুৰা দি ছোৱালীজনী কোলাত লৈ ভিতৰলৈ গ'লগৈ। ল'ৰাটোৱে সৰু আপেল টুকুৰা একে কামোৰতে শেষ কৰি খুড়ীয়েকৰ পাছে পাছে দৌৰ মাৰিলে— 'খুড়ী! মোক গোটা আপেল এটা নিদিয়ানে?'

ডাঙৰ নবৌয়ে বাচন মজাৰ পিছত পৰি থকা ভাত-মাছৰ উচ্ছিষ্টবিনি চাফা কৰিবলৈ কলটো মাৰিয়ে থাকিল; মাৰিয়ে থাকিল। হুহুহুকৈ ওলোৱা পানীয়েবে কলৰ পাৰখন তিয়াইয়ে থাকিল, তিয়াইয়ে থাকিল।

## দুই

চ'ৰাঘৰত ডাক্তৰ, উকীল, বিয়া দিয়া ছোৱালী দুজনী চব গোট খাইছে। মাকেই সবকে মাতি অনাইছে। এনেকৈ আৰু নচলে, কিবা এটা কৰিব লাগিব, এনেকৈ অশান্তি কৰি থাকিলে ঘৰখনেই ভাগি থাকিব। বৰ ককায়েকক চবেই মাতি আনি মাজতে বহুৱাই লৈছে। ভনীয়েক দুজনী বৰ-ককায়েকৰ মুখত উথলি পৰিছে— 'বৌয়ে বোলে চাকৰি যোৱাৰ পিছত দাদাক সদায় গালি পাৰি থাকে, তেওঁ পিন্ধিবলৈ পোৱা নাইনে, ল'ৰা-ছোৱালীৰ পঢ়া-শুনা বন্ধ হৈছে?' সৰুজনীয়ে ককায়েকৰ মুখৰ পকা চুলি উঘালি আছে— 'আমি হোৱা হ'লে বাস্তাত পৰি থাকিব লাগিলহেঁতেন।' উকীলনী, ডাক্তৰণীয়ে ৰবজনাকক জাকে কৰা অপমানৰ কথা বিবৰি কৈছে। শাহুৱেকে কান্দি পেলাইছে— 'ল'ৰাটোৰ মুখলৈ চাব নোৱাৰা হৈছে, সকলো সময়তে ঘৈণীয়েকৰ কেটকটনি। ককায়েকৰ হাঁহি নোহোৱা মোলান মুখখনলো ভায়েকহঁতে কোন সততে চাই থাকে?' তেওঁ কেৰাহিকৈ ডাক্তৰৰ ফালে চাইছে। সিদিনা গিৰীয়েকৰ ফটা কামিজ এটা লৈ লঙ্কাকাণ্ড কৰোতে অকল ডাঙৰ বৌৱেকে নহয়, ডাক্তৰে ঘৰখনকে হুমকি দিছিলে ঘৰত এনেকুৱা অশান্তি হৈ থাকিলে তেওঁ ওলাই যাবগৈ। পিছদিনাই মাকে পৰিয়ালৰ সকলোকে মাতি পঠিয়ালে বলাৰ নোৱাৰা হোৱা বৰ-বোৱাৰীয়েকক

বুজাবলৈ। চাদৰখন সলাই ডাঙৰ নবৌৱে হাতত চাহৰ পিয়ালা লৈ চ'ৰাঘৰলৈ সোমাই আহিল। মানুহজনী সোমাই অহাৰ লগে লগে নন্দেকহঁতে জক্‌জকাই উঠিল— 'আমাৰ দাদাক এনে কৰিবলৈ তুমি কোন ওলাইছা?' 'দাদাই ইমান কষ্ট কৰি ঘৰখন ধৰিলে, সকু দাদাইতক পঢ়ালে, তাক এনেকুৱা কৰিলে আমি সহ্য কৰি নাপাকো।' জোঁৱায়েক দুজন, উকীল, উকীলনী, ডাক্তৰ-ডাক্তৰণী, শাহুৱেক সকলো ডাঙৰ নবৌৰ ওপৰত জঁপিয়াই পৰিল— 'এনে ব্যৱহাৰ আমি আপোনাৰ পৰা আশা কৰা নাছিলো... দেৱতাহেন মানুহজনক ইমান মনোকষ্ট দিয়া আপোনাৰ উচিত হোৱা নাই... কেঁচ চলি আছে চাকৰিটো পায়ো যাব পাৰে, তাতনো নিজৰ মানুহজনক ইমান গালি পাৰিব লাগেনে?... দাদা বুলিহে সহ্য কৰিছে... সকুদাদাইঁতৰ ডাঙৰ দাদালৈ মৰম আছে বুলিহে এনেকৈ চকু মুদি আছে... আনে হ'লে লথিয়াই ঘৰৰ পৰা বাজ কৰি দিলেহেঁতেন... ল'ৰা-ছোৱালী খুড়ীয়েকহঁতেই চাব..., এতিয়ানো চাইছে কোনে? মাছ এটুকুৰা খোজোতে পুতেকক যিকেইটা বাঘচকা দিয়ে।' শব্দবোৰ লাহে লাহে দাঁত-নখ হৈ ডাঙৰ নবৌক বাকুহি পেলালে, ডাঙৰ ডাঙৰ শিলগুটি হৈ মানুহজনীক ক্ষত-বিক্ষত কৰি পেলালে। ডাঙৰ নবৌৱে ভায়েকহঁতৰ মাজত বহি থকা মানুহজনলৈ চালে, তেওঁ আজি ডাড়ি খুৰাইছে, ডাঙৰ ভনীয়েকে অনা নতুন ঘিউ ৰঙৰ পাঞ্জাবী-পাইজামা এযোৰ পিন্ধিছে, বহুত দিনৰ মূৰত মানুহজনে হাঁহিছে, উজ্জ্বল হৈ আছে মুখ।... ডাঙৰ নবৌৰ দেহাটো ভৰপূৰ হৈ আহিল। ৰাতি ভায়েক-ভনীয়েকহঁতে ডাঙৰ ককায়েকক মাজত লৈ নতুন মাহত কি কি লাগিব কৈছে, একাৰত মাক বহি আছে, সদ্য বিধৱা মাকৰ মুখখন বৰ মলিন। ডাঙৰ ককায়েকে মাকৰ মত বিচাৰিছে— 'এই মাহত বাবুলৈ বেছিকৈ টকা পঠাব লাগিব, তাৰ কিতাপবোৰ বৰ বেছি দামী নহয়, হ'বই দেচোন।' মাকৰ চকুযোৰ সেমেকা— 'তই যি ভাল দেখ কৰ, দেউতাৰ...।' উচুপি উঠা মাকৰ পিঠিত হাত থৈছে মানুহজনে, মানুহজনৰ চকুহালত ইমান মায়া! মাছ ধুই থকাৰে পৰা ডাঙৰ নবৌৱে সেইহাল চকুলৈ পলক নপৰাকৈ চাইছে। গভীৰ নিশা সেইহাল মায়াময় চকুৰে ডাঙৰ নবৌৰ ভৰপূৰ গাটো আৱৰি পেলাইছে— 'তুমি মোক একো নোখোজা কেলেই? মুখ ফুটাই নক'লেনো মই কেনেকৈ জানিম?' ডাঙৰ নবৌৰ চকুযোৰ সেমেকি আহিব খুজিছে— 'মোক কেৱল আপুনি...।' এক মধুৰ উত্তাপত নবৌৰ গোলাপী ওঁঠখন বন্ধ হৈ গৈছিল।

...ডাঙৰ নবৌৰ হাড়ে-ছালে লগা দেহাটো বহুদিনৰ মূৰত সেই উত্তাপে চেলেকি গ'ল। নবৌৱে কাৰো গালি শুনা নাই, তেওঁক চাৰিওফালে এটা উত্তাপে ঘেৰি আছে— চিচা, শিলগুটি, কাঁইট চৰবোৰ উফৰি পৰিছে।

পাকঘৰলৈ গৈ ডাঙৰ নবৌৱে সকলোৰে বাৰে ফুলা লুচী, কণীৰ অমলেট, আলুভজা আৰু পকৰী লৈ আহিলগৈ। ডাঙৰ নবৌৰ হাতৰ মচমচীয়া আলুভজা,

কোমল লুচী মুখত পৰাৰ লগে লগে মানুহবোৰৰ শব্দবোৰ কোমল হৈ আহিছে, কণীৰ অমলেটটোৰ দৰে আৰ্দ্ৰ হৈ আহিছে— 'বৌ! বিপদত ধৈৰ্যহীন আচল বন্ধু।' 'বৌ! তোমাক ভগৱানে চকু মেলি চাব দিয়া', 'আমিতো আছোৱেই, বৌৱে অলপ বেছি চিন্তা কৰে', 'বৌ! দাদাক অলপ চকু দিবা, নিজৰো যত্ন লবা।' 'আমাৰনো কি? তোমালোকৰ ভাল দেখিলেই হ'ল', 'বাইদেৱে ক'ত নিজৰ কথা ভাবে? আনক কেনেকৈ খুৱাব সেয়াহে চিন্তা।' কোমল, আৰ্দ্ৰ শব্দবোৰো ডাঙৰ নবৌৰ গাত লাগিব পৰা নাই, বৌক ঘেৰি থকা উত্তাপে শব্দবোৰ কাষ নৌ চাপোতেই গলাই পেলাইছে।

ডাঙৰ নবৌৱে চাহ-জলপানৰ থালখন প্ৰথমতেই গিৰীয়েকক দিছে। কোনোবাই ভালকৈ চালে দেখিলেহেঁতেন সেইখন প্লেটৰ লুচীকেইখন বেছি ফুলা, অমলেটটো বেছি ডাঙৰ, পকৰীকেইটা বেছি ৰঙচুৱা, আলুভজাখিনিও আনতকৈ সৰহ, চাহকাপৰ ৰংটো সোণালী— অকল গাখীৰত চাহপাত দি বেলেগে বাকি আনিছে।

## তিনি

ডাঙৰ দাদাই আজি চাৰিটা মোনা ভৰাই বজাৰ কৰি আনিছে। মাছ, মুৰ্গী, মিঠাই, ফলমূল, পাচলি। সকলোবোৰ বেৰি-কুৰি বহিছে। ডাক্তৰণীয়ে ঘামি-জামি অহা ববজনাক পানী এগিলাচ আনি দিছে, মাকে বিচনী এখন আনিছে। ডাক্তৰ-উকীল চব ওলাই আহিছে। ডাক্তৰণীয়ে মনে মনে ডাক্তৰক সুধিছে— 'পইচা দিছিলা নেকি? ইমান টকা কিয় দিলা?' উকীলনীয়েও ইঙ্গিতেৰে একেটা প্ৰশ্নকে উকীলক সুধিছে। উকীলনীয়ে ল'ৰা-ছোৱালীবোৰক হাতে হাতে একোটাকৈ বাছিচাইয়া, ৰঙা আপেল দিছে। ডাঙৰবোৰক্যো দুটামান কাটি দিলে— 'দাদাই অনা বস্তুবোৰহে মোৰ চকুত লাগে, টোটোক-নোটক নাই, ভালৰ ভাল বস্তুটোহে আনিব, আমাৰ এওঁলোকে কেৱল কিতাপখিনিহে চিনি পালে।' মিঠা আপেল কামুৰি উকীলনীয়ে ববজনাকলৈ চাই এটা মিঠা হাঁহি মাৰিছে। মাকৰ মুখতো জঁপিয়াই থকা ৰঙচুৱা এচটা এচটা কাবে মাছকিটাৰ দৰে হাঁহিটো জঁপিয়াই আছে। মানুহজনে মুখখন মচি মচি ইফালে-সিফালে চাই আছে। মাকে সেইফালে চাই চিঞৰি উঠিল— 'বোৱাৰী! কিনো কামত লাগি আছ? বজাৰখন সামৰি নেপেলাব কিয়?'

শাহুৱেকৰ মাতটো শুনি ডাঙৰ নবৌৱে কলৰ পাৰত কাপোৰ ধুই থকাৰে পৰা কাণ উনালে। শাহুৱেকে বজাৰ সামৰিবলৈ কাক মাতিছে? বোৱাৰী বুলি অকল তাইকেইতো মাতে! মানুহজনৰ চাকৰিটো যোৱাৰ দিন ধৰি তাইক কোনেও বজাৰত হাত লগাবলৈকে দিয়া নাই, দুই জাকে গিৰীয়েকহঁতে অনা বস্তুবোৰ সামৰি-সুতৰি থয়। শাহুৱেকেই নহয় জাকহঁতেও মাতিছে। ডাঙৰ নবৌ আধাতিতা কাপোৰেৰে আহি বাৰাণ্ডাৰ চিৰিটোত বহিলহি। বহিয়ে নতুনকৈ পোৱালি হোৱা গাই গৰুৰ দৰে



Scanned with OKEN Scanner

নবৌৱে কেউফালে সচকিত হৈ চালে। মাক, ভায়েক, বোৱাৰীয়েক কোনোবাই মানুহজনক কিবা কৈছে নেকি? ডাঙৰ নবৌৰ গাঁতত সোমোৱা চকুহাল পোৱালি হেৰুৱা বাঘিনীৰ দৰে টিক্‌টিকাই উঠিল। ইমান দিনৰ অভ্যাসত চাদৰখন কঁকালত পাক মাৰি ডাঙৰ নবৌ থিয় দিলে। কোনফালৰ পৰা আক্ৰমণ আহিছে? ভায়েক এটাই কোমল মাতেৰে কৈছে নেকি? 'দাদা! এনেকৈ আৰু কিমান দিন...।' ভাই-বোৱাৰীয়েকে ঘূৰণীয়া মাতেৰে সুধিছে নেকি— 'দাদা! টকা তিনিশ দিছিলো নেকি!' মানুহজনে বাৰু মূৰ খজুৱাইছে নেকি? 'মানে... মানে এওঁৰ ফালে ব্লাউজ এটা...।' ডাঙৰণীয়ে মুখখন বেঁকা কৰি ডবি চোঁচৰাই ভিতৰলৈ সোমাই গৈছে নেকি? মাকে কৈছেহি নেকি? 'বজাৰ খৰচৰ পইচা বেলেগত কিয় দিব লাগেনো?' মানুহজনে হাতত সস্তীয়া ব্লাউজ এটা লৈ থিয় দি আছে নেকি? ডাঙৰ নবৌৱে ইফালে-সিফালে চাইছে— জীয়েক-পুতেকহাল, কুকুৰজনী, টিঙত পৰি থকা পাৰহাল, শিলগুটিকেইটা, কলৰ পাৰত এৰি অহা বাচনবোৰ, ঢেঁকীটো। আক্ৰমণ কোন দিশৰ পৰা আহিব ধাৰণা নকৰাকৈ যুঁজৰ আখৰা কৰা বৰ টান। চাদৰখন কঁকালত আটি আটি বান্ধি ডাঙৰ নবৌ পোন হৈ থিয় দি থাকিল। মানুহজনে মুখখন ক'লা কৰি তলমূৰকৈ আছে নেকি? নাই, মানুহজনে হাঁহি আছে। হাঁহি থকা মুখখনৰ উজ্জ্বল চাৱনিটো আহি ডাঙৰ নবৌৰ মুখৰ ওপৰত পৰিছেহি— 'মোৰ চাকৰিটো হ'লগৈ নহয়, এইকেইবছৰৰ টকাখিনিও ঘূৰাই পাম, আজি এই মাহৰ দৰমহাটোও পালো।' গোটেইবোৰ জঁপিয়াই উঠিল। উকীলে টকাখিনি হিচাপ কৰি পেলালে। তাৰ মানে আধা হৈ থকা ঘৰৰ কাম... নিজলৈ বুলি এটা ফুটাকড়িও নথকাকৈ কৰা বজাৰ... লাইটৰ বিল... খাজনা... বেমাৰ-আজাৰ... উৎসৱ-পাৰ্বণ... লৌকিকতা... উলিয়াই দিয়া ছোৱালীকিজনীৰ বেঁকা-বেঁকিকৈ অহা বিভিন্ন ফৰমাইছ...। ডাঙৰে হিচাপ কৰি পেলালে খৰধৰকৈ ঘৰৰ পৰা ওলাই যোৱাটো মূৰ্খামি হ'ব, তেওঁৰ চকুৰ আগত জিলিকি উঠিল চকচকীয়া নাৰ্চিংহ'ম, ঘৰ। উকীলৰ চকুত জিলমিলাই উঠিল চেম্বাৰ, ঘৰ...

ডাঙৰ নবৌৱে দীঘলকৈ উশাহ এটা ল'লে। তেওঁ যেন বাটত বহু দূৰ খোজকাঢ়ি আহি নিজৰ ঘৰখন পাইছেহি। সকলোকে অবাক কৰি চিৰিটোতে মূৰ থৈ ডাঙৰ নবৌৱে কান্দিবলৈ ধৰিলে। ল'ৰা-ছোৱালীকিটাই আচৰিত বস্তু দেখাদি মানুহজনীক চাই থাকিল। গিৰীয়েকে নবৌৰ ঘাম, চকুলো আৰু পানী লাগি লেটপেটীয়া হৈ থকা চুলিখিনি চুই ক'লে— 'কি হ'ল, মোক গালি পাৰি থকাৰ ৰাস্তা বন্ধ হোৱাৰ বাবে দুখ লাগিছে নেকি?' এইবাৰ উচুপনি হুকহুকনিলৈ ৰূপান্তৰিত হ'ল। ওচৰ-চুবুৰীয়াও জুমা-জুমি কৰিবলৈ আৰম্ভ কৰিলে। আটাইবোৰ চৰম বিৰক্ত হ'ল। শাহুৱেকে চিৰিত মূৰটো পেলাই আধাতিতা, মলিয়ন, ফিচিকা কাপোৰ পিন্ধি থকা অস্থিচৰ্মসাৰ



Scanned with OKEN Scanner

মানুহজনীটো প্ৰচণ্ড বিৰক্তিৰে চাই ভোৰভোৰাই উঠিল— 'এইজোন শিকটো জীৱ পৃথিৱীলৈ আহিছেই নিজে অশান্তি পাবলৈ, আনক অশান্তি দিবলৈ।'